AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## এখন ঐশ্বৰিক নক্সা

যাত্ৰাপুস্তক ২৪:১-২৫:৯

## কাহিনী...



ঈশ্বৰ যিহোৱাই ইয়াৰ আগতে কেতিয়াও তেনেকুৱা পৰাক্ৰমযুক্ত চিন দেখুওৱা নাছিল আৰু আচৰিত কাৰ্য্য কৰা নাছিল যেতিয়া তেও ইস্ৰায়েলৰ সন্তান সকলক মিচৰৰ দাসত্বৰ পৰা উদ্ধাৰ কৰি উলিয়াই আনিছিল । ফৌৰনৰ ৰাজ্যখনৰ ওপৰত এটাৰ পাছত আন এটা উতপাত পৰিয়েই আছিল যেতিয়ালৈকে সি তেওৰ বন্দীবিলাকক মুকলি কৰি দিবলৈ বাধ্য হোৱা নাছিল । তাৰ পাছত যিহোৱাই চুফ সাগৰ দুফাল কৰিছিল আৰু তাৰ মাজৰ শুকান ভুমিয়েদি সেই জাতিটোক স্বাধীনতালৈ চলাই নিছিল, আনহাতে তেওবিলাকৰ পিছে পিছে খেদি যোৱা তেওবিলাকৰ শত্ৰুসকলক সাগৰত নিপাত কৰিছিল ।

অৰণ্যত প্ৰৱেশ কৰাৰ পিছত, ঈশ্বৰে তেওবিলাকক প্ৰতিজ্ঞাৰ দেশৰ বিপৰীত দিশ-দক্ষিণ দিশৰ ফালে চলাই নিয়া কাৰ্য্যৰ দ্বাৰাই তেওৰ অনেক লোক আচৰিত হৈছিল। যিহোৱাই জানিছিল যে, তেওবিলাকে তেওবিলাকৰ উত্তৰাধিকাৰ লাভ কৰাৰ আগতে নিজকে যুগুত কৰিব লাগিব, তেওবিলাক সংগবদ্ধ হব লাগিব আৰু তেওৰ ওপৰত আস্হা আৰু বিশ্বাস ৰাখিবলৈ শিকিব লাগিব । য়েতিয়া চিনয় পৰ্ব্বতলৈ তেওবিলাকে যাত্ৰা কৰিছিল, ঈশ্বৰে তেওবিলাকৰ প্ৰতিটো আৱশ্যকীয় বস্তু যোগাইছিল । ভোক লাগোতে, ঈশ্বৰে তেওলোকক স্বৰ্গৰ পৰা আহাৰ দিছিল । যেতিয়া তেওবিলাকৰ পিয়াহ লাগিছিল, ঈশ্বৰ যিহোৱাই তেওবিলাকক প্ৰকান্ড শিলৰ পৰা পানী পান কৰাইছিল । শত্ৰুবিলাকৰ দ্বাৰাই হঠাতে পিছফালৰ পৰা আক্ৰমিত হওতেও, আচৰিতৰূপে তেওবিলাকক বিজয়ী কৰা হৈছিল ।

অৱশেষত, ইস্ৰায়েলবিলাকে পবিত্ৰ পৰ্ব্বতৰ গুৰিত ছাউনী পাতিছিল । তাত ঈশ্বৰে এনে এটা কাৰ্য্য কৰিছিল যাক তেও পূৰ্বতে কেতিয়াও কৰা নাছিল । সমুদায় জাতিটোৱে শুনাকৈ তেও কথা কৈছিল—তেওৰ নিয়মটিৰ বিষয়ে, দহ-আজ্ঞাবোৰৰ কথা কৈছিল । ঈশ্বৰে তেওৰ বিধানৰ বিষয়ে সকলোৱে শুনাকৈ কোৱাৰ পিছত, সেই আজ্ঞাবোৰ লিখা শিলৰ ফলি দুখন লবলৈ মোচিক চিনয় পৰ্ব্বতৰ ওপৰলৈ মাতিছিল । কিন্তু ঈশ্বৰে, তেওক ইয়াৰ লগতে আৰু কিবা এটা প্ৰদান কৰিছিল । ঈশ্বৰ যিহোৱাৰ সৈতে ৪০ দিন ৪০ ৰাতি থাকোতে, মোচিয়ে ঈশ্বৰৰ নিমিত্তে দাণ্ডি লৈ যাব পৰা, লঘু এটা অতি সুন্দৰ মন্দিৰ নিৰ্ম্মান কৰাৰ সম্পূৰ্ণ নীতি-নিৰ্দেশনা লাভ কৰিছিল । স্বৰ্গত থকা তেওৰ প্ৰকৃত বাস-স্হানৰ ই এটা সৰু নমুনা হবলগীয়া আছিল । এই অদ্বীতিয় গঠনৰ অবয়ৱটোৱে, আমাক পাপৰ পৰা পৰিত্ৰাণ কৰোৱাৰ ঈশ্বৰৰ পৰিকল্পনাটোৰ বিষয়ে জগত খনকেই দীঘে, পথালিয়ে আৰু গভীৰতাৰে দৃশ্যমান পাঠ প্ৰদান কৰাৰ কাৰ্য্য কৰিবলগীয়া আছিল ।



পাঠ নং-১০

# অধ্যয়ন

প্ৰতিটো বাইবেল পদ পঢ়াৰ পিছত খালী ঠাইবোৰ পুৰন কৰক ।

## ১. ঈশ্বৰে মোচিক কি নিৰ্ম্মান কৰিবলৈ দিছিল আৰু কিয়?

**যাত্ৰাপুস্তক ২৫:৮** আৰু মই তেওবিলাকৰ মাজত [redacted] কৰিবৰ নিমিত্তে, তেওবিলাকে মোৰ অৰ্থে এটা [redacted] নিৰ্ম্মান কৰক ।

## ২. ধৰ্ম্মধাম আৰু ইয়াৰ পৰিচৰ্য্যাবলাকৰ পৰা ঈশ্বৰে তেওৰ লোকসকলক কি শিকাটোক আকাংক্ষ্যা কৰিছিল?

**গীতমালা ৭৭:১৩** হে ঈশ্বৰ, তোমাৰ [redacted] ধৰ্ম্মধামত আছে. (কেজিভি)


**টোকা:** পৰিত্ৰানৰ হেতু কৰা ঈশ্বৰৰ পথ বা আচনিটোক জগতৰ ধৰ্ম্মধামত প্ৰকাশ কৰা হৈছিল । ধৰ্ম্মধামত থকা সকলোবোৰেই বা ইয়াৰ পৰিচৰ্য্যাবোৰৰ সৈতে সংযোগ থকা প্ৰতিটো কাৰ্য্যই, যীচুৱে আমাক পৰিত্ৰান কৰাত কৰিবলগীয়া কাৰ্য্যৰ কিবা নহয় কিবা এটা প্ৰতীক আছিল । ধৰ্ম্মধাম আৰু ইয়াৰ পৰিচৰ্য্যাৰ সবিশেষ আমি যেতিয়ালৈকে ভালকৈ বুজি নাপাও, তেতিয়ালৈকে আমি পৰিত্ৰাণৰ আচনিটোৰ বিষয়ে সম্পূৰ্ণকৈ বুজিব নোৱাৰো । ই এটা বিশাল থ্ৰী-ডি অবজেক লেচন আছিল, যি পৰিত্ৰাণৰ কাৰ্য্যপ্ৰনালীৰ ব্যাখ্যা আগবঢ়াইছিল ।

## ৩. ধৰ্ম্মধাম নিৰ্ম্মাৰ নিমিত্তে মোচিয়ে নক্সাখন কত পাইছিল?

**যাত্ৰাপুস্তক ২৫:৪০** সাৱধান, মই তোমাক [redacted] দেখুউৱা সেইবোৰৰ [redacted] দৰেই সেই সকলোকে কৰিবা ।

**টোকা:** ধৰ্ম্মধামৰ নক্সা, ইয়াক কেনেকৈ নিৰ্ম্মান কৰিব লাগে তাৰ সম্পূৰ্ণ বিশেষ ধৰনৰ নীতি-নিৰ্দেশনাবোৰ চিনয় পৰ্ব্বতত মোচিয়ে ঈশ্বৰৰ দ্বাৰাই লাভ কৰিছিল (ইব্ৰী ৮:৫) । এইটো স্বৰ্গত থকা ঈশ্বৰৰ প্ৰকৃত ধৰ্ম্মধামটোৰ এটা ক্ষুদ্ৰ আকাৰৰ আছিল ।

**ধৰ্ম্মধাম**



প্ৰথম ধৰ্ম্মধামটো বা আবাসটো আছিল অতি সুন্দৰ পৰিপাটি, তম্বু আকাৰৰ (১৫ ফুট বহল আৰু ৪৫ ফুট দীঘল, ১৮ ঘন ইঞ্চি আধাৰ )। তাত ঈশ্বৰৰ অলৌকিক উৰস্হিতি বিৰাজমান হৈ আছিল আৰু বিশেষ বিশেষ সেৱা- পৰিচৰ্য্যাৰ কামবোৰ তাত কৰা হৈছিল । বেৰবোৰ চিটীম কাঠৰ তক্তাৰে বনোৱা হৈছিল আৰু সেইবোৰত সোনৰ প্ৰলেপ দিয়া ৰূপৰ চকেট লগোৱা হৈছিল (যাত্ৰাপুস্তক ২৬:১৫-১৯, ২৯)। ওপৰৰ চালখন শণ সুটা, ছাগলীৰ নোম, ৰঙা ৰং কৰা মেৰৰ ছাল আৰু তহচৰ ছালৰ চাৰি তৰপীয়া আবৰনৰ আছিল (২৬:১, ৭, ১৪)। ইয়াৰ দুটা কোঠালী আছিলঃ পবিত্ৰ স্হান (১৫ ফুট বহল আৰু ৩০ ফুট দীঘল), আৰু অতি পবিত্ৰ স্হান (১৫ ফুট বহল আৰু ১৫ ফুট দীঘল)।ওপৰত দিয়া চিত্ৰখন আপুনি সঘনাই চাব পাৰিব যেতিয়া আপুনি এই পাঠটি অধ্যয়ণ কৰিব ।

## ৪. চোতালত কি আচবাব আছিল?

**ক. যাত্ৰাপুস্তক ২৯:১৮** পাছে গোটেইটো মেৰ ________ দগ্ধ কৰিবা সেয়ে যিহোৱাৰ উদ্দেশ্যে ________ ________

**খ. যাত্ৰাপুস্তক ৩০:১৮** ধোৱা-পখলা কৰিবৰ নিমিত্তে তুমি পিতলৰ এটা ________ পাত্ৰ ... তাত পানী ৰাখিবা ।

**টোকা:** এই যজ্ঞবেদিতেই জন্তুবোৰক বলি দিয়া হৈছিল (যাত্ৰাপুস্তক ২৭:১-৮)। ধৰ্ম্মধামৰ প্ৰৱেশ দ্বাৰৰ কিছু বাহিৰত থকা চোতালখনত ইয়াক ৰখা হৈছিল । এই যজ্ঞবেদি টোৱে খ্ৰীষ্টৰ ক্ৰুচডালক সুচায়ছিল । যি জন্তুবোৰক বলি দিয়া হৈছিল সেইবোৰে যীচুক সুচায়ছিল, সেই সম্পূৰ্ণ বলিদান (যোহন ১:২৯)।প্ৰক্ষালন পাত্ৰটো আচলতে পিতলেৰে নিৰ্ম্মিত এটা প্ৰকান্ড চৰিয়া সদৃশ পাত্ৰ যাক ধৰ্ম্মধামৰ দুৱাৰমুখ আৰু যজ্ঞবেদিৰ সোমাজত ৰখা হৈছিল (যাত্ৰাপুস্তক ৩০১৭-২১ ৩৮৮)। ধৰ্ম্মধামত প্ৰবেশ কৰাৰ আগতে বা এটা বলি উচ্ছৰ্গ কৰাৰ আগতে পুৰোহিতবিলাকে ইয়াতে হাতভৰি ধুই লৈছিল । ইয়াত থকা পাপী বাপ্তিষ্মৰ প্ৰতীক আছিল, পাপৰ পৰা শুচি হোৱা আৰু নতুন জন্ম পোৱাৰ প্ৰতীক ।

## ৫. কি কি তিনি প্ৰকাৰৰ আচবাব পবিত্ৰ স্হানত আছিল?

**ক. গণনাপুস্তক ৪:৭** আৰু ________ ________ ওপৰত এখন নীল বৰনীয়া কাপোৰ পাৰিব ... আৰু নিত্য পিঠা তাৰ ওপৰত ৰাখিব ।

**খ. গণনাপুস্তক ৮:২** যেতিয়া তুমি প্ৰদীপবোৰ জ্বলাবা, তেতিয়া সেই সাতোটা প্ৰদীপ ________ সন্মুখত পোহৰ কৰাকৈ ৰাখিবা ।

**গ. যাত্ৰাপুস্তক ৩০:১** আৰু ________ জ্বলাবৰ নিমিত্তে এটা ________ নিৰ্ম্মান কৰিবা তাক চিটীম কাঠেৰে নিৰ্ম্মান কৰিবা ।

**টোকা:** মেজৰ ওপৰত ৰখা দৰ্শন-পিঠাই (যাত্ৰাপুস্তক ২৫:২৩-৩০) যীচুক সুচায়, জীৱনময় আহাৰ (যোহন ৬:৫১)। সাতোটা দীপাধাৰে (যাত্ৰাপুস্তক ২৫:৩১-৪০) যীচুক সুচায়, জগতৰ পোহৰ (যোহন ৯:৫; ১:৯) । প্ৰদীপবোৰৰ যি তেল সেইবোৰে পবিত্ৰ আত্মাক সুচায় (জখৰীয়া ৪:১৬; প্ৰকাশিতবাক্য ৪:৫)। ধূপ বেদিয়ে (যাত্ৰাপুস্তক ৩০:১-৮) ঈশ্বৰৰ লোকবিলাকৰ প্ৰাৰ্থনাক সুচায় (ইব্ৰী ৫:৭)।

# পাঠ নং-১০

## ৬. অতি পবিত্ৰ স্হানত কি বিশেষ বস্তু ৰখা হৈছিল?

**যাত্ৰাপুস্তক ২৬:৩৪** আৰু তুমি অতি পবিত্ৰ-স্হানত সাক্ষ্য-ফলিৰ [redacted] ওপৰত পাপাবৰণ থবা ।

**টোকা:** অতি পবিত্ৰস্হানত একমাত্ৰ ভাৱে ৰখা বস্তুটো আছিল চন্দুক যাৰ ভিতৰত ৰখা হৈছিল নিয়মৰ দুখন ফলি( সাক্ষ্য-ফলি অৰ্থাত দহ-আজ্ঞা), এই চন্দুকটোক চিটীম কাঠেৰে নিৰ্ম্মান কৰি তাত শুদ্ধ সোনৰ পতা মাৰি দিয়া হৈছিল (যাত্ৰাপুস্তক ২৫:১০-২২)। চন্দুকটোৰ দুই মূৰত এটা এটাকৈ দুটা শুদ্ধ সোনেৰে নিৰ্ম্মিত কৰূব ৰখা হৈছিল । চন্দুকটোক ঢাকি থোৱা আবৰনখনক পাপাবৰন বুলি কোৱা হৈছিল (যাত্ৰাপুস্তক ২৫:১৭-২২), যত ঈশ্বৰৰ উৰস্হিতি নিবাস কৰিছিল । এই ঠাইখনে স্বৰ্গত থকা ঈশ্বৰৰ সিংহাসনখনক সুচাইছিল, যি একেদৰে দুগৰাকী স্বৰ্গদূতৰ মাজত অৱস্হিত হৈ আছে (গীতমালা ৮০:১; যিচয়া ৬:১, ২) ।

## ৭. চন্দুকটোৰ ভিতৰত কি আছিল বাৰু?

**যাত্ৰাপুস্তক ২৫:২১** তুমি সেই পাপাবৰন সেই চন্দুকৰ ওপৰত ৰাখিবা; আৰু মই তোমাক যি [redacted] দিম, তাক সেই চন্দুকৰ ভিতৰত থবা ।

**দ্বিতীয় বিবৰন ১০:৪, ৫** পাছে সমাজ গোট খোৱা দিনা পৰ্ব্বতত অগ্নিৰ মাজৰ পৰা যিহোৱাই যি [redacted] [redacted] তোমালোকক কৈছিল, তাক প্ৰথমে লিখাৰ দৰেই তেও সেই দুখন ফলিত লিখি মোক দিলে । তাৰ পাছত মই মুখ ঘুৰাই পৰ্ব্বতৰ পৰা নামি, মোক দিয়া যিহোৱাৰ আজ্ঞা অনুসৰে ফলি দুখন নিজে সজা চন্দুকত থলো, আৰু দুয়োখন তাতেই আছে ।

**টোকা:** ঈশ্বৰে নিজৰ আঙুলিৰে দুখন শিলৰ ফলিত তেওৰ নিয়মটি লিখিছিল, আৰু সেইবোৰক চন্দুকৰ ভিতৰত ভৰাই ৰখা হৈছিল । পাপাবৰন তাৰ ওপৰত ৰখা হৈছিল, যাৰ অৰ্থ আছিল যেতিয়ালৈকে ঈশ্বৰৰ লোকসকলে তেওবিলাকৰ পাপবোৰ স্বীকাৰ লব আৰু ত্যাগ কৰিব (হিতোপদেশ ২৮:১৩) সেই তেজৰ যোগেদি তেওবিলাকলৈ কৃপা কৰুনা বৰ্দ্ধিত কৰি গৈ থকা হব যি তেজ পুৰোহিতৰ দ্বাৰাই পাপাবৰনৰ ওপৰত চতিয়াই দিয়া হৈছিল (লেবীয়াপুস্তক ১৬:১৫, ১৬)। সেই তেজে যীচুৰ সেই তেজক বুজায় যাক তেও সমগ্ৰ মানৱজাতিৰ পাপ ক্ষমা আৰু শুচিকৰনৰ হেতু বোৱাইছিল (মথি ২৬:২৮; ইব্ৰী ৯:২২)।

## ৮. পুৰনি নিয়মৰ ধৰ্ম্মধামৰ পৰিচৰ্য্যাত জন্তুৰ বলি উচ্ছৰ্গা কিয় প্ৰয়োজন হৈছিল?

**ইব্ৰী ৯:২২** [redacted] উলিওৱা নহলে, পাপ-মোচন নহয় ।

**মথি ২৬:২৮** কিয়নো মোৰ যি তেজ, অৰ্থাত নিয়মৰ তেজ, [redacted] নিমিত্তে অনেকৰ কাৰনে উলিওৱা হৈছে, সেয়ে এই ।

**টোকা:** কালবাৰীৰ ক্ৰুচত যীচুৰ তেজ বাৱাই নিদিলে যে কাৰো পাপ ক্ষমা হব নোৱাৰে, তাক মানুহে বুজি পোৱাত সহায় হবলৈ জন্তুৰ বলি উচ্ছৰ্গা প্ৰয়োজন হৈছিল । শিহৰণকাৰী সত্যটো এয়ে যে পাপৰ শাস্তি হৈছে মৃত্যু । যিহেতু আমি সকলোৱেই পাপ কৰিলো, আমি সকলোৱে মৰা উচিত আছিল–আৰু আমি মৰাতো অৱধাৰিত আছিল, যদি যীচুৱে আমাৰ পাপৰ বাবে আমাৰ হৈ মৰাৰ দ্বাৰাই নিজৰ সম্পূৰ্ণ সিদ্ধ জীৱনটো উচ্ছৰ্গা নকৰিলেহেতেন । পাপীবিলাকে নিজেই নিজৰ নিজৰ বলি দিবলগীয়া জন্তুবোৰ লগত লৈ আনিছিল আৰু নিজ হাতেৰে ইয়াক হত্যা কৰিছিল (লেবীয়া পুস্তক ১:৪, ৫)। ই ৰক্তাকত্বৰ আৰু ভয়লগা বিধৰ আছিল, মানুহৰ মনবোৰত সেই সত্যটোক বহুৱাই দিছিল যে পাপে যীচুক মৰিবলগীয়া কৰিছিল । এইদৰে তেওবিলাকে পৰিত্ৰাণৰ নিমিত্তে সেই ক্ৰুচলৈ দিঙিমেলি চাই পঠিয়াইছিল, আনহাতে আমি পৰিত্ৰাণৰ নিমিত্তে উভটি ক্ৰুচলৈ চাই পঠিয়াও । ইয়াৰ বাদে পৰিত্ৰানৰ আন উতস নাই ।

## ৯. পাপৰ বাবে যেতিয়া জন্তুবোৰ বলি দিয়া হৈছিল, তেতিয়া পাপৰ কি হৈছিল?

**লোবীয়া পুস্তক ১:৪, ৫** পাছে সি হোম-বলিৰ মূৰত [redacted] দিব; তাতে সেই বলি তাৰ [redacted] অৰ্থে তাৰ পক্ষে গ্ৰাহ্য হব । আৰু যিহোৱাৰ সন্মুখত সেই দমৰা গৰুটো কটা হব; তেতিয়া.

**টোকা:** যেতিয়া পাপীয়ে জন্তুটোৰ মূৰৰ ওপৰত নিজৰ হাত ৰাখে আৰু নিজৰ পাপ স্বীকাৰ কৰে, তেতিয়া পাপবোৰ প্ৰতীকি উপায়েৰে পাপীজনৰ পৰা জন্তুটোৰ গালৈ স্হানান্তৰিত হয় । এইদৰে জন্তুটো দোষী সাব্যস্ত হয় আৰু মৃত্যুৰ শাস্তি ভোগ কৰিবলগীয়া হয় । যীচুৱে যে আমাৰ পাপৰ ভাৰ বহন কৰিলে, ই হৈছে তাৰেই প্ৰতীক ।

## ১০. সমগ্ৰ মন্ডলিটোৰ নিমিত্তে কেতিয়া এটা হোম-বলি উচ্ছৰ্গা কৰা হৈছিল, পাপৰ কি হৈছিল?

**লেবীয়াপুস্তক ৪:১৭** আৰু পুৰোহিতে সেই তেজত নিজ আঙুলি জুবুৰিয়াই, তাৰ কিছু তেজ [redacted] বস্ত্ৰৰ আগফালে যিহোৱাৰ সন্মুখত সাতবাৰ [redacted] ।

**টোকা:** পুৰোহিতে কিছু তেজ ধৰ্ম্মধামৰ ভিতৰত থকা প্ৰভেদক বস্ত্ৰৰ আগফালে ছটিয়াইছিল, এইদৰে প্ৰতীকি ব্যৱস্হাৰে মানুহবিলাকৰ পাপবোৰ ধৰ্ম্মধামটোলৈ স্হানান্তৰিত হৈছিল । যীচু যেতিয়া তেওৰ মৃত্যুৰ পাছত স্বৰ্গলৈ গৈছিল, যীচুৰ নামত পাপ স্বীকাৰ কৰোতে লাভ কৰা আমাৰ পাপ-ক্ষমাক দেখুৱাবলৈ, তেও তেওৰ তেজ উচ্ছৰ্গা কৰিছিল (পুৰনি নিয়মত মহা-পুৰোহিতে যেনেকৈ কৰিছিল) ১ম যোহন ১:৯।

## ১১. ধৰ্ম্মধামৰ কি কি দুটা প্ৰতীক চিহ্নক যীচুৱে আমাৰ নিমিত্তে সিদ্ধ কৰিলে?

**১ম কৰিন্হীয়া ৫:৭** কাৰন আমাৰ [redacted] মেৰ পোৱালি যি খ্ৰীষ্ট, তেওক বলিদান কৰা হল

# পাঠ নং-১০

**ইব্ৰী ৪:১৪** এতেকে স্বৰ্গবোৰৰ মাজেদি যোৱা এনে মহান এজনা, অৰ্থাত ঈশ্বৰৰ পুত্ৰ যীচু আমাৰ ________ ________ থকাত.

**টোকা:** যীচুৱে, আমাৰ পাপৰ নিমিত্তে বলি হিচাপেও আৰু আমাৰ স্বৰ্গীয় মহা-পুৰোহিত হিচাপেও দুয়োটা কাৰ্য্য কৰিছে আৰু এইদৰে আমাৰ নিমিত্তে দুটা আচৰিত বিষয় সিদ্ধ কৰিছে । প্ৰথমটো হৈছে অতীতৰ সকলোবোৰ পাপ ক্ষমা কৰাৰ লগতে (যোহন ৩:৩-৬; ৰোমীয়া ৩:২৫) এটা সম্পূৰ্ণ পৰিবৰ্ত্তিত জীৱন যাক কোৱা হৈছে নতুন জন্ম । দ্বিতীয়টো হৈছে বৰ্ত্তমান আৰু ভৱিষ্যতত এক শুদ্ধ আৰু সিদ্ধ জীৱন নিৰ্বাস কৰাৰ ক্ষমতা (তীত ২:১৪; ফিলিপীয়া ২:১৩)। এই দুটা বিষয়ে এজন ব্যক্তিক ধাৰ্ম্মিক কৰি তোলে, যাৰ অৰ্থ হল ঈশ্বৰ আৰু ব্যক্তিজনৰ মাজত এটা শুদ্ধ সম্পৰ্ক থাকে । এজন ব্যক্তিৰ বাবে কৰ্ম্মৰ দ্বাৰাই(নিজৰ চেষ্টাৰ) ধাৰ্ম্মিক হোৱাৰ কোনো পথ নাথাকে, কাৰন ধাৰ্ম্মিকতা কেৱল সেই অনুগ্ৰহৰ পৰাহে আহে যাক একমাত্ৰ যীচুৱেহে দিব পাৰে (পাচনিকৰ্ম ৪:১২)। এয়াই হৈছে বিশ্বাসৰ দ্বাৰাই ধাৰ্ম্মিকতা, যিটো হৈছে ধাৰ্ম্মিকতাৰ একমাত্ৰ প্ৰকৃত আকাৰ ।

## ১২. যীচুৰ দ্বাৰাই আমাক ধাৰ্ম্মিকতা প্ৰদান কৰাৰ বিষয়ে বাইবেলে কি কি ছটা প্ৰতিজ্ঞা আমাক দিছে?

**ক.** তেও আমাৰ অতীতৰ পাপবোৰক ঢাকি ৰাখিব আৰু আমাক নিৰ্দোষী বুলি গণ্য কৰিব (যিচয়া ৪৪:২২; ১ম যোহন ১:৯)।

**খ.** ঈশ্বৰৰ প্ৰতিমূৰ্ত্তীটোক আমাত পুনৰুদ্ধাৰ কৰিবলৈ যীচুৱে প্ৰতিজ্ঞা কৰিছে (ৰোমীয়া ৮:২৯)।

**গ.** ঈশ্বৰৰ ইচ্ছা পালন কৰিবলৈ যীচুৱে আমাক আকাংক্ষ্যা আৰু ক্ষমতা দিয়ে (ফিলিপীয়া ২:১৩)

**ঘ.** যীচুৱে আমাক মাত্ৰ সেইবোৰ কাম কৰিবলৈ সহায় কৰিব যিবোৰে ঈশ্বৰক সন্তোষ দিয়ে (ইব্ৰী ১৩:২০, ২১; ১ম যোহন ৩:২২)

**ঙ.** তেওৰ নিষ্পাপ জীৱন আৰু প্ৰায়শ্চিতকৰনৰ মৃত্যুৰ কতৃত্ব আমাক প্ৰদান কৰাৰ দ্বাৰাই তেও আমাৰ ওপৰত পৰা মৃত্যুৰ ৰায়দানক আতৰাই দিলে (২য় কৰিন্হীয়া ৫:২১)।

**চ.** তেও ঘুৰি নহালৈকে আমাক বিশ্বাসীভাৱে থকাত সহায় কৰিবলৈ যীচুৱে আটাইবোৰ দায়িত্ব মুৰপাতি লৈছে (ফিলিপীয়া ১:৬ যিহুদা ২৪)।

**টোকা:** এই আটাইবিলাক গৌৰৱময় প্ৰতিজ্ঞা আপোনাৰ জীৱনত সিদ্ধ কৰিবলৈ যীচু সাজু হৈ আছে । আপুনি বাৰু সাজু নে? আপুনি এতিয়াই আঠুকাঢ়ি প্ৰাৰ্থনা কৰক যাতে তেও আপোনাৰ জীৱনটোক তেওৰ নিয়ন্ত্ৰণত ৰাখে । তেও আপোনাক এৰি নাযাব ।

## ১৩.ধাৰ্ম্মিক হবলৈ এজন ব্যক্তিয়ে কিবা ভূমিকা পালন কৰিবলগীয়া আছে নে?

**মথি ৭:২১** যিবিলাকে মোক প্ৰভু প্ৰভু বোলে, তেওবিলাক সকলোৱে যে স্বৰ্গৰাজ্যত সোমাব; এনে নহয় কিন্তু যি জনে স্বৰ্গত থকা মোৰ পিতৃৰ [redacted] কৰে, সেই জনহে সোমাব ।

**টোকা:** হয়, আমাৰ পালন কৰিবলগীয়া ভূমিকাটো হৈছে, আমাৰ হৃদয় আৰু ইচ্ছাক যীচুৰ হাতত গটাই দিয়া আৰু তেওক চলাই নিবলৈ অনুমতি প্ৰদান কৰা ।আমাৰ জীৱনবোৰ তেওৰ হাততেই আছে বুলি তেওৰ ওপৰত সম্পূৰ্ণ আস্হা আৰু বিশ্বাস ৰাখা । বহুতে বিশ্বাস কৰে যে যিবিলাকে প্ৰভুৰ নাম লয় তেওবিলাক সকলোকে যীচুৱে স্বৰ্গলৈ নিব, লাগিলে তেওবিলাকৰ চৰিত্ৰবোৰ যি ধৰনেৰেই নহওক কিয় !কিন্তু এই মাৰাত্মক বিশ্বাসটো সত্য নহয় (মথি ৭:১৪)

## ১৪. প্ৰায়শ্চিত্তৰ দিনাখন কি ঘটিছিল?

**লেবীয়াপুস্তক ১৬:৩০** কিয়নো সেইদিনা তোমালোকক [redacted] কৰিবৰ অৰ্থে তোমালোকক প্ৰায়শ্চিত্ত কৰা হব; তাতে তোমালোক সকলোৱেই [redacted] পৰা যিহোৱাৰ সাক্ষাতে শুচি হবা ।

**টোকা:** প্ৰায়শ্চিত্তৰ দিন সোধবচাৰৰ এটা গুৰু-গম্ভীৰ পবিত্ৰ দিন আছিল যি ইস্রায়েলৰ মাজত বছৰত এবাৰহে আহিছিল (লেবীয়াপুস্তক ২৩:২৭)। প্ৰতিটো পাপ স্বীকাৰ কৰি ত্যাগ কৰিবলগীয়া হৈছিল । সেইটো দিনত যিবিলাকে ইয়াক কৰিবলৈ অমান্তি হৈছিল, তেওবিলাকক সদাকালৰ নিমিত্তে ইস্রায়েলৰ ছাউনীৰ পৰা ছিন্ন কৰা হৈছিল (২৯ পদ)। সেই দিনা দুটা ছাগ বাচনি কৰি লোৱা হৈছিল । এটা যিহোৱাৰ উদ্দেশ্যে আৰু আনটো অজাজেলৰ অৰ্থে, অজাজেল হৈছে চয়তানৰ প্ৰতীক (লেবীয়াপুস্তক ১৬:৭, ৮)। যিহোৱাৰ ছাগটোক বধ কৰা হৈছিল আৰু লোকসমূহৰ পাপৰ নিমিত্তে উচ্ছৰ্গা কৰা হৈছিল (৯পদ)। ইয়াৰ তেজ অতি পবিত্ৰ স্হানলৈ নিয়া হৈছিল আৰু পাপাবৰনৰ সন্মুখত আৰু ওপৰত ছটিয়াই দিয়া হৈছিল (১৪ পদ)। মাত্ৰ এই বিশেষ বিচাৰৰ দিনটোতহে মহা-পুৰোহিত গৰাকীয়ে এই অতি পবিত্ৰস্হানত প্ৰৱেশ কৰিছিল ।ছটিয়াই দিয়া যি তেজ (যীচুৰ বলিদানক সূচায়) তাক ঈশ্বৰৰ দ্বাৰাই গ্ৰহন কৰি লোৱা হৈছিল আৰু লোকসমুহে স্বীকাৰ কৰি লোৱা যি পাপ সেইবোৰ লোকসমূহৰ পৰা মহা-পুৰোহিতৰ গালৈ স্হানান্তৰিত হৈছিল । তাৰ পাছত তেও সেই পাপবোৰ আকৌ অজাজেল নামৰ ছাগটোৰ গালৈ স্হানান্তৰ কৰিছিল, যাক কোনেও নথকা জনশূণ্য অৰণ্যৰ মাজলৈ এৰি দিয়া হৈছিল (১৬, ২০, ২২ পদ)। এইটো ব্যৱস্হাৰে , ধৰ্ম্মধামটোক প্ৰতীকি উপায়েৰে লোকসমুহৰ সেই পাপৰ পৰা শুচি কৰা হৈছিল যি পাপবোৰ আগৰ গোটেইটো বছৰত ছটিউৱা তেজৰ দ্বাৰাই স্হানান্তৰিত হৈ তাত জমা হৈছিল ।

## ১৫. পুৰনি নিয়মৰ প্ৰায়শ্চিত্তৰ দিনটো স্বৰ্গীয় ধৰ্ম্মধামটোৰ শুচিকৰনৰ এটা ছা-স্বৰূপ আছিল নে কি?

**ইব্ৰী ৯:২৩** এতেকে স্বৰ্গত থকা বিষয়ৰ যি [redacted], সেয়ে এইবোৰ উপৰায়েৰে শুচি কৰা হোৱা আৱশ্যক; কিন্তু আচল যি স্বৰ্গীয়, সেয়ে ইয়াতকৈ [redacted] বলিদানৰ দ্বাৰাই শুচি কৰা হোৱা আৱশ্যক ।

**টোকা:** হয়! সেইটো দিনৰ পৰিচৰ্য্যাই আমাৰ মহা-পুৰোহিত যীচুৰ দ্বাৰাই স্বৰ্গীয় ধৰ্ম্মধামত পাপ সাৰি পুচি নিকা কৰি সম্পূৰ্ণ মোচন কৰা কাৰ্য্যক আঙুলিয়াইছিল । তেও তাত তেওৰ লোকসকলৰ নিমিত্তে মধ্যস্হতাৰ কাম কৰি আছে আৰু যিবিলাকে তেওৰ তেজত বিশ্বাস কৰিব তেওবিলাক আটাইৰে পাপবোৰ মুচি পেলাবলৈ তেও সাজু হৈ আছে । প্ৰাচীনকালৰ প্ৰায়শ্চিত্তৰ দিন, আধুনিক ইস্ৰায়েলৰ ইয়ম কিপপুৰ, সেই অন্তিম প্ৰায়শ্চিত্তৰ ছা-স্বৰূপ আছিল যাক পৃথিবীৰ গ্ৰহটোৰ বাবে কৰা হব । এই অন্তিম প্ৰায়শ্চিত্তে শেষ সোধবিচাৰলৈ চলাই লৈ যাব, যিটোৱে নেকি প্ৰত্যেকজন ব্যক্তিৰ জীৱনত থকা পাপ প্ৰশ্নটোক সদাকালৰ নিমিত্তে নিষ্পত্তি কৰিব ।

# আপোনাৰ সহাৰি

আপুনি আপোনাৰ জীৱনটোক সম্পূৰ্ণভাৱে যীচুৰ হাতত সোধাই দিবলৈ ইচ্ছা কৰিব নে যাতে আপোনাক ধাৰ্ম্মিক কৰিবলৈ তেও প্ৰয়োজনীয় আচৰিত কাৰ্য্যটো কৰিব পাৰে?

**উত্তৰ:** [redacted]


©2023 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
For more uplifting, life changing resources visit **Bookstore.AFTV.in**